**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
**--------------------**

১। রাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২৪-২৫ বৰ্ষৰ স্বচ্ছ সৰ্বেক্ষণ বঁটাসমূহ প্ৰদান কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিহাৰ আৰু পশ্চিম বংগ ভ্ৰমণ কৰিব।

৩। জম্মু-কাশ্মীৰত প্ৰতিকূল বতৰৰ বাবে অমৰনাথ যাত্ৰা সাময়িকভাৱে স্থগিত ৰখা হৈছে।

৪। মহাৰাষ্ট্ৰৰ নাছিক জিলাত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিগৰাকী মহিলা আৰু এটি শিশুৰ মৃত্যু হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়।

আৰু

৫। জাপান অ'পেন বেডমিণ্টনত পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিক ছাইৰাজ ৰণকিৰেড্ডীৰ যুটীটো চীনৰ যুটীৰ হাতত পৰাস্ত হয়।

০০০০০০

রাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে পৰিচ্ছন্নতা হৈছে দেশৰ সাংস্কৃতিক চেতনাৰ ভেটি। নতুন দিল্লীত আজি ২০২৪-২৫ বৰ্ষৰ স্বচ্ছ সৰ্বেক্ষণ বঁটাসমূহ প্ৰদান কৰি দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। স্বচ্ছ ভাৰত অভিযানৰ অধীনত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে চলোৱা প্ৰচেষ্টাৰ শলাগ লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে স্বচ্ছ সৰ্বেক্ষণ সফল পদক্ষেপ হিচাপে প্ৰমাণিত হৈছে বুলি উল্লেখ কৰে।

ইণ্ডোৰ চহৰ পুনৰবাৰ অষ্টম বাৰৰ বাবে দেশৰ সবাতোকৈ পৰিষ্কাৰ চহৰ হিচাপে পৰিগণিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বাৰ্ষিক পৰিচ্ছন্নতা সমীক্ষাত চুৰাটে দ্বিতীয় স্থান আৰু নবী মুম্বাইয়ে তৃতীয় স্থান লাভ কৰে। উল্লেখযোগ্য যে এইবাৰ ছুপাৰ স্বচ্ছ লীগ চহৰ আৰু পাঁচটা ভিন ভিন জনসংখ্যাৰ শাখাত তিনিখন শীৰ্ষ স্বচ্ছ চহৰকে ধৰি মুঠ চাৰিটা শিতানত বঁটাসমূহ প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত বিভিন্ন শিতান সামৰি ৭৮টা বঁটা প্ৰদান কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিহাৰ আৰু পশ্চিম বংগ ভ্ৰমণ কৰিব। বিহাৰ ভ্ৰমণকালত শ্ৰীমোদীয়ে মতিহাৰীত ৭ হাজাৰ কোটিৰো অধিক ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ৰাষ্ট্ৰৰ প্ৰতি উচৰ্গা কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত ৰে'লৱে, পথ, গ্ৰাম্য উন্নয়ন, মীন, বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি খণ্ডৰ প্ৰকল্প আছে। প্ৰধানমন্ত্ৰী মোদীয়ে দাৰভাঙ্গাত এখন নতুন ছফ্টৱেৰ প্ৰযুক্তি উদ্যান মুকলি কৰিব। তেওঁ লগতে চাৰিখন নতুন অমৃত ভাৰত ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে দীনদয়াল অন্ত্যোদয়া যোজনা - ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত বিহাৰৰ ৬১ হাজাৰ ৫০০টা আত্ম-সহায়ক গোটলৈ ৪০০ কোটি টকা মোকলাই দিব। প্ৰধানমন্ত্ৰীয়ে সেইদিনাই পশ্চিম বংগ ভ্ৰমণ কৰি ৫ হাজাৰ কোটিৰো অধিক ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত তেল আৰু গেছ, শক্তি, পথ আৰু ৰে'ল খণ্ডৰ প্ৰকল্প আছে। তেওঁ লগতে এখন জনসভাতো ভাষণ দিব। শ্ৰীমোদীয়ে এই ভ্ৰমণ কালত ট'প্চি আৰু পশ্চিম বৰ্ধমানৰ পাণ্ডৱেশ্বৰত সেতু ভাৰতম কাৰ্যসূচীৰ অধীনত ৩৮০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা দুখন পথ অভাৰব্ৰীজ মুকলি কৰিব। এই পথ অভাৰব্ৰীজ দুখনে ৰে'লৱে লেভেল ক্ৰছিঙত দুৰ্ঘটনা ৰোধ কৰাৰ লগতে যাত্ৰীৰ আহ-যাহত সহায় কৰিব।

০০০০০০

জম্মু-কাশ্মীৰত কাশ্মীৰ আৰু জম্মু সংমণ্ডলৰ অধিকাংশ অঞ্চলত প্ৰতিকূল বতৰৰ বাবে অমৰনাথ যাত্ৰা সাময়িকভাৱে স্থগিত ৰখা হৈছে। চৰকাৰী সূত্ৰত প্ৰকাশ পোৱা অনুসৰি বালতাল আৰু পেহেলগাম পথত হোৱা প্ৰচুৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত আজিৰ দিনটোত অমৰনাথ যাত্ৰা স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে বিগত ১৪ দিনৰ ভিতৰত কালি সন্ধিয়ালৈ প্ৰায় ২ লাখ ৫০ হাজাৰ তীৰ্থযাত্ৰীয়ে পৱিত্ৰ অমৰনাথ গুহা দৰ্শন কৰিছে।

oooooo

বেংগালুৰুৰ চিন্নস্বামী ষ্টেডিয়ামৰ প্ৰৱেশ পথৰ বাহিৰত যোৱা মাহত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয়োল্লাসৰ সময়ত হোৱা হেঁচা-ঠেলাত ১১জন লোকৰ মৃত্যুৰ লগতে ৫০জনৰো অধিক লোক আহত হোৱাৰ ঘটনাৰ বাবে কৰ্ণাটক চৰকাৰে ক্ৰিকেট দলটোক জগৰীয়া কৰিছে। ৰাজ্য চৰকাৰে কৰ্ণাটক উচ্চ ন্যায়ালয়ত দাখিল কৰা তথ্যত উল্লেখ কৰা মতে আৰ চি বিৰ মেনেজমেণ্ট, ইভেণ্ট মেনেজমেণ্ট অংশীদাৰ - ডি এন এ নেটৱৰ্কছ্ প্ৰাইভেট লিমিটেড আৰু কৰ্ণাটক ৰাজ্যিক ক্ৰিকেট সন্থাই আৰক্ষীৰ সৈতে পৰামৰ্শৰ অবিহনে একপক্ষীয়ভাৱে দলটোৰ বিজয় উদযাপন কৰাৰ সিদ্ধান্ত লৈছিল। আৰ চি বিয়ে আই পি এল চেম্পিয়নশ্বিপৰ বিজয় উদযাপন কৰাৰ বাবে প্ৰয়োজনীয় অনুমতি লাভ কৰা নাছিল বুলি তথ্যত উল্লেখ কৰা হৈছে।

oooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি জয়পুৰৰ সমীপৰ ডাডিয়া গাঁৱত আয়োজিত সহযোগিতা তথা ৰোজগাৰ উৎসৱত ভাগ লোৱাৰ উদ্দেশ্যে জয়পুৰলৈ যাব। শ্ৰী শ্বাহে এখন বিশাল জনসভাত ভাষণ দিব। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ বিভিন্ন বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা ৮ হাজাৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰও বিতৰণ কৰিব। তেওঁ লগতে বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত প্ৰমাণপত্ৰ আৰু চেক বিতৰণ কৰাৰ লগতে কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্পৰ উদ্বোধন কৰিব। একেটা অনুষ্ঠানতে শ্ৰী শ্বাহে গোপাল ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনৰ এহেজাৰ ৪০০ গৰাকী হিতাধিকাৰীক প্ৰায় ১২ কোটি টকাৰ ঋণ বিতৰণ কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ শ্বেত বিপ্লৱ পি ডি চি এছ অনলাইন পঞ্জীয়ন মঞ্চও মুকলি কৰিব। মন্ত্ৰীগৰাকীয়ে আৰক্ষী চকী, সশস্ত্ৰ বাহিনী তথা বিভিন্ন প্ৰশিক্ষণত ব্যৱহাৰ হ'বলগীয়া ১০০ খন নতুন আৰক্ষী বাহনৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰে।

oooooo

ছিৰিয়াৰ অন্তৰৱৰ্তী পৰিষদ আৰু ছুৱেইদাৰ দক্ষিণ প্ৰদেশৰ ড্ৰুজ সম্প্ৰদায়ৰ মাজৰ মাৰাত্মক সংঘৰ্ষৰ অন্ত পেলোৱাৰ লক্ষ্যৰে এখন নতুন যুদ্ধবিৰতিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। ছিৰিয়াৰ অন্তৰৱৰ্তী পৰিষদে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই চুক্তিত সামৰিক অভিযান সম্পূৰ্ণৰূপে বন্ধ কৰা, অন্তৰৱৰ্তী সুৰক্ষা চকীসমূহ স্থাপন কৰা আৰু সকলো চৰকাৰী প্ৰতিষ্ঠান পুনৰ কাৰ্যকৰী কৰা বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে, ড্ৰুজ সম্প্ৰদায়ৰ আধ্যাত্মিক নেতাই এই চুক্তিখনৰ কথা নিশ্চিত কৰিছে। বিগত চাৰি দিনত দুয়োপক্ষৰ মাজত হোৱা সংঘৰ্ষত কমেও ২৪৮জন লোকৰ মৃত্যু হোৱাৰ পাছত এই যুদ্ধবিৰতিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। সশস্ত্ৰ বেদুইনসকলে স্থাপন কৰা সুৰক্ষা চকীত ড্ৰুজ সম্প্ৰদায়ৰ এজন যুৱকক ডকাইতি আৰু মাৰপিট কৰাৰ পাছতেই এই সংঘৰ্ষৰ সূত্ৰপাত হয়।

ইপিনে, ইজৰাইলে ড্ৰুজ সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাৰ বাবে শেহতীয়াকৈ ছুৱেইদা আৰু ডামাছ্কাছৰ সামৰিক ঘাটিত বিমান আক্ৰমণ চলায়। ছিৰিয়াই এই আক্ৰমণৰ গৰিহণা দি এই আক্ৰমণ তেওঁলোকৰ সাৰ্বভৌমত্ব আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ উলংঘন বুলি দাবী কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছেও ইজৰাইলৰ বিমান আক্ৰমণক গৰিহণা দি এটা বিবৃতি জাৰি কৰে।

oooooo

মহাৰাষ্ট্ৰৰ নাছিক জিলাত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিগৰাকী মহিলা আৰু এটি শিশুৰ মৃত্যু হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়। নাছিক-দিন্দোৰী পথত এখন বাহন আৰু মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত দুয়োখন বাহন পথৰ দাঁতিৰ এটা সৰু নলাত বাগৰি পৰে। বাহনখনত মুঠ সাতজন লোক আছিল। আহতসকলক ততালিকে নাছিক জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

oooooo

ভাৰতীয় সেনাই লাডাখত থলুৱাভাৱে নিৰ্মিত এয়াৰ ডিফেন্স চিষ্টেম আকাশ প্ৰাইমৰ সফল পৰীক্ষণ সম্পন্ন কৰিছে। পূব লাডাখৰ ১৫ হাজাৰ ফুটতকৈও অধিক উচ্চতাত এই পৰীক্ষা চলোৱা হয়। দুদিন ধৰি চলা এই পৰিক্ষণত বায়ুসেনা প্ৰতিৰক্ষাৰ লগতে প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। আকাশ প্ৰাইম ব্যৱস্থাই সেনাবাহিনীত আকাশ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ তৃতীয় আৰু চতুৰ্থ ৰেজিমেণ্ট গঠন কৰিব। উল্লেখযোগ্য যে ৪ হাজাৰ ৫০০ মিটাৰ উচ্চতাত নিয়োগ কৰিব পৰা এই ক্ষেপনাস্ত্ৰই প্ৰায় ২৫-৩০ কিলোমিটাৰ দূৰত্বৰ লক্ষ্য ভেদ কৰিব পাৰিব।

০০০০০০

ইৰাকৰ অল-কুট চহৰত আজি সংঘটিত বিধ্বংসী অগ্নিকাণ্ডত কমেও ৫০জন লোকৰ মৃত্যু হোৱাৰ উপৰি ভালেসংখ্যক লোক আহত হয়। অল-কুটৰ ৰাজ্যপালে চহৰখনৰ হাইপাৰমাৰ্কেটৰ এখন ৰেষ্টোঁৰাত এই জুইৰ সূত্ৰপাত হয় বুলি প্ৰকাশ কৰিছে। অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ বহুসংখ্যক লোকক উদ্ধাৰ কৰে। ঘটনা সংক্ৰান্তত তদন্ত অব্যাহত আছে বুলি ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

টকিঅ'ত অনুষ্ঠিত জাপান অ'পেন বেডমিণ্টনত পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিক ছাইৰাজ ৰণকিৰেড্ডীৰ যুটীটো চীনৰ ৰেং চাং আৰু লিয়াং ৱেকেঙৰ হাতত ০-২ ছেটৰ ব্যৱধানত পৰাস্ত হয়। ইপিনে, পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ লক্ষ্য সেন, জাপানৰ কোডাই নাৰাওকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। মহিলাৰ ছিংগলছৰ অনুপমা উপাধ্যায়, চীনৰ ৰেং ঝি ইৰ বিৰুদ্ধে খেলিব। কালিৰ এখন খেলত অলিম্পিক পদক বিজেতা পি ভি সিন্ধু, দক্ষিণ কোৰিয়াৰ ছিম য়ু-জিনৰ হাতত ২১-১৫, ২১-১৪ ছেটৰ ব্যৱধানত পৰাস্ত হয়।

০০০০০০

সমাপ্ত